**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date : 10-06-2026** **Time : 1910 PM**

***Assamese Evening Bulletin***

***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰালয়ে নৌ সেনা বাহিনীৰ বাবে উচ্চ সামৰ্থ্যৰ ২০টা জি এন এছ্ এছ্ জেমাৰ ক্ৰয় কৰাৰ বাবে ৪৪৯ কোটি টকাৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৪। ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে আজি তৃণমূল কংগ্ৰেছৰ সাংসদ সুষ্মিতা দেৱৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰে।

*আৰু*

৫। ভাৰতৰ পি ভি সিন্ধু আৰু তনভী শৰ্মাই অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী একেৰাহে সৰ্বাধিক সময়ৰ বাবে শাসনৰ দায়িত্বত থকা দেশৰ প্ৰথমগৰাকী নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হৈছে। ২০১৪ চনৰ ২৬ মে'ত প্ৰথমবাৰৰ বাবে প্ৰধানমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰা শ্ৰীমোদীয়ে আজি পূৰ্বৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ অভিলেখ ভংগ কৰে। পণ্ডিত নেহৰুৱে ১৯৫২ চনৰ ১৩ মে'ত নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে প্ৰথমবাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আৰু ১৯৬৪ চনৰ ২৭ মে'ত মৃত্যু পৰ্যন্ত তেওঁ দেশৰ প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। তেওঁ একেৰাহে ৪ হাজাৰ ৩৯৮ দিন প্ৰধানমন্ত্ৰীৰ দায়িত্বত আছিল। নৰেন্দ্ৰ মোদীয়ে আজি প্ৰধানমন্ত্ৰীৰূপে ৪ হাজাৰ ৩৯৯ দিনত ভৰি দিছে।

অমিত শ্বাহ, ড° এছ জয়শংকৰ, পীয়ুষ গোৱেল, নিৰ্মলা সীতাৰমন আৰু শিৱৰাজ সিং চৌহানকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে সবাতোকৈ অধিক সময়ৰ বাবে কাৰ্যনিৰ্বাহ কৰা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিন্দন জনাইছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সামাজিক মাধ্যমযোগে কয়, যে বিগত ১২ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ গৌৰৱ ঘূৰাই আনিছে, সাংস্কৃতিক নৱজাগৰণৰ সূচনা কৰিছে আৰু দাসত্বৰ মানসিকতাৰ পৰা মুক্ত কৰিছে। তেওঁ কয় যে এই সময়ছোৱাত সংসদৰ নতুন ভৱন নিৰ্মাণ কৰা হৈছে, ৩ খন নতুন আইন ৰূপায়ণ কৰা হৈছে, নতুন শিক্ষানীতিয়ে মাতৃভাষাত চিকিৎসা আৰু অভিযান্ত্ৰিক শাখাৰ শিক্ষাৰ পথ প্ৰশস্ত কৰিছে আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াটো প্ৰতিগৰাকী ভাৰতীয়ৰ সংকল্পত পৰিণত হৈছে। শ্ৰীশ্বাহে কয়, যে মোদীৰ কাৰ্যকালত দেশৰ সীমান্তসমূহ সুৰক্ষিত হৈছে, কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰা হৈছে, ৰাম মন্দিৰ নিৰ্মাণ কৰা হৈছে, নক্সালবাদ উৎখাত কৰা হৈছে আৰু প্ৰতিটো সন্ত্ৰাসবাদৰ ঘটনাৰ সমীচিন প্ৰত্যুত্তৰ দিয়া হৈছে।

ড০ জয়শংকৰে কয় যে এই সাফল্যই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্ব, দৃষ্টিভংগী আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰতি জনসাধাৰণৰ অটুত বিশ্বাসক প্ৰতিফলিত কৰিছে। একেদৰে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পিয়ুষ গোৱেলে কয়, যে যোৱা ১২ বছৰত প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত হোৱা পৰিৱৰ্তনে দেশৰ বিকাশক নতুন গতি দিছে। তেওঁ কয় যে কৃষকৰ পৰা উদ্যমীলৈ, মহিলাৰ পৰা অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগলৈ আৰু যুৱ প্ৰজন্মৰ পৰা মধ্যম শ্ৰেণীলৈ মোদী চৰকাৰৰ প্ৰতিটো বৃহৎ উদ্যমৰ সুফল তৃণমূল পৰ্যায়ৰ লোকেও লাভ কৰাত দেশৰ লাখ লাখ লোক সৱল হৈ উঠিছে।

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে তেঁওৰ বাৰ্তাত কয় যে এই সময়ছোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এ ডি এ চৰকাৰে সাহসী সংস্কাৰ সাধন কৰিছে আৰু অভূতপূৰ্ব পৰিসৰত ভালেমান উদ্যম ৰূপায়ণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভালেমান প্ৰত্যাহ্বানপূৰ্ণ ক্ষণত দেশক নিৰ্ণায়ক আৰু শক্তিশালী নেতৃত্ব দিছে বুলি তেওঁ উল্লেখ কৰে। কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানে নিজৰ বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী মোদীৰ ৪ হাজাৰ ৩৯১ দিনৰ এই যাত্ৰা শক্তিশালী, সৱল, সমৃদ্ধিশালী, উন্নত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ সোণালী অধ্যয়ৰূপে পৰিগণিত হৈছে। মোদীৰ যুগক উন্নয়ন আৰু ঐতিহ্যৰ সংগম বুলি তেওঁ অভিহিত কৰে। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰী, পৰিৱেশ, বন আৰু জলবায়ু পৰিবৰ্তন দপ্তৰৰ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱ, শক্তিমন্ত্ৰী মনোহৰ লাল, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিং, সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, আইন আৰু ন্যায় মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জনাইছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাইও একেৰাহে সৰ্বাধিক সময়ৰ বাবে ক্ষমতাত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰীৰূপে পৰিগণিত হোৱা বাবে নৰেন্দ্ৰ মোদীক ওলগ জনাইছে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই একেৰাহে অধিক সময়ৰ বাবে ক্ষমতাত থকা নিৰ্বাচিত প্ৰধানমন্ত্ৰী হিচাপে পৰিগণিত হোৱা বাবে নৰেন্দ্ৰ মোদীক অভিনন্দন জনাই আজি এটা প্ৰস্তাৱ গ্ৰহণ কৰে। নতুন দিল্লীত অনুষ্ঠিত বৈঠকত মন্ত্ৰীসভাৰ সদস্যসকলে শ্ৰীমোদীক থিয় হৈ সম্ভাষণ জনায়।

মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে এই প্ৰস্তাৱে ৰাষ্ট্ৰৰ প্ৰতি নিৰন্তৰ সেৱাৰ ক্ষেত্ৰত শ্ৰীমোদীৰ ঐতিহাসিক মাইলৰ খুঁটিক প্ৰতিফলিত আৰু ভালেমান প্ৰতিশ্ৰুতিবদ্ধতা তথা সাফল্যৰ বিষয়ে আলোকপাত কৰে। তেওঁ কয় যে মন্ত্ৰীসভাই এই অভূতপূৰ্ব সাফল্যৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জনোৱাৰ উদ্দেশ্যে এটা সাত-দফীয়া প্ৰস্তাৱ গ্ৰহণ কৰিছে।

বাইট (অশ্বিনী বৈষ্ণৱ)

জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত চৰকাৰে কৰি অহা গুৰুত্বৰ বিষয়ে আলোকপাত কৰি দুখীয়া জনসাধাৰণক প্ৰশাসনৰ কেন্দ্ৰত ৰখা হৈছে বুলি প্ৰস্তাৱটোত উল্লেখ কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে পকী ঘৰ, বিদ্যুৎ, বিশুদ্ধ খোৱাপানী আৰু প্ৰত্যক্ষ লাভ হস্তান্তৰৰ সুবিধা প্ৰদান কৰাৰ বাবে অভূতপূৰ্ব প্ৰচেষ্টা গ্ৰহণ কৰা হৈছে। ৮০ কোটিৰো অধিক জনসাধাৰণে বিনামূলীয়া খাদ্যসামগ্ৰী লাভ কৰাৰ বিপৰীতে ৬০ কোটিৰো অধিক হিতাধিকাৰীয়ে বিনামূলীয়া চিকিৎসা সুবিধা লাভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। প্ৰস্তাৱটোত প্ৰকাশ কৰা মতে এই উদ্যমসমূহে ৰাষ্ট্ৰৰ আত্মবিশ্বাস দৃঢ় কৰি তুলিছে আৰু ২৫ কোটিৰো অধিক লোকক দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা ওলাই অহাত সহায় কৰিছে।

প্ৰস্তাৱটোত লগতে জনসাধাৰণৰ সবলীকৰণৰ সবিশেষ বিৱৰণ অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰস্তাৱটোত যুৱ প্ৰজন্মকেন্দ্ৰিক নীতিয়ে ভাৰতক বিশ্বৰ তৃতীয় সৰ্ববৃহৎ ষ্টাৰ্ট আপ ব্যৱস্থাৰ দেশৰূপে পৰিগণিত কৰা আৰু চন্দ্ৰযান

মিছনকে ধৰি বিজ্ঞান জগতত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰাত সহায় কৰিছে বুলি উল্লেখ কৰা হৈছে। ধোঁৱামুক্ত ৰান্ধনী ঘৰ, লাখপতি বাইদেউ অভিযান আৰু সংসদ তথা বিধানসভাত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণ বিধেয়কৰ দৰে উদ্যমৰ জৰিয়তে মহিলাৰ নেতৃত্বত হোৱা বিকাশৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে প্ৰস্তাৱটোত কোৱা হৈছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে আজি নৌ সেনা বাহিনীৰ বাবে উচ্চ সামৰ্থ্যৰ ২০টা গোলকীয় দিক্‌নিৰ্দেশক প্ৰণালী জি এন এছ্ এছ্ জেমাৰ ক্ৰয় কৰাৰ বাবে ৪৪৯ কোটি টকাৰ চুক্তিত স্বাক্ষৰ কৰে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙৰ উপস্থিতিত স্বদেশী ডিজাইন, বিকাশ আৰু নিৰ্মাণ শাখাৰ অধীনত এই চুক্তি স্বাক্ষৰিত হয়। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই জেমাৰ প্ৰণালীয়ে উপগ্ৰহৰ জৰিয়তে লাভ কৰা সংকেত গ্ৰহণ আৰু নিৰ্ধাৰিত পথত বাধা প্ৰদান কৰে আৰু পথ সলনি কৰি ভুৱা সংকেতৰ জৰিয়তে শত্ৰুপক্ষৰ জি এন এছ্ এছ্ প্ৰণালীৰ ৰিচিভাৰৰ কাম বিঘ্নিত কৰে। এই প্ৰণালীৰ অন্তৰ্ভুক্তিৰ ফলত বিপদৰ সময়ত নৌসেনা বাহিনীৰ জাহাজৰ পৰিচালন নিৰাপদ হৈ উঠিব।

০০০০০০০

ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে তৃণমূল কংগ্ৰেছৰ সাংসদ সুস্মিতা দেৱৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰিছে। উচ্চ সদনৰ সদস্যপদ ত্যাগ কৰাৰ পাছতেই সাংসদগৰাকীয়ে আজি নতুন দিল্লীত অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উল্লেখযোগ্য যে তৃণমূল কংগ্ৰেছৰ প্ৰবীন নেতা তথা ৰাজ্যসভাৰ সাংসদ সুখেন্দু শেখৰ ৰয়ে সোমবাৰে ৰাজ্যসভাৰ সদস্য পদ আৰু দল ত্যাগ কৰিছিল।

০০০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু তনভী শৰ্মাই ছিডনীত অনুষ্ঠিত অষ্ট্ৰেলিয়ান অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। অলিম্পিকত দুবাৰৰ পদক বিজয়ী পি ভি সিন্ধুয়ে আজি প্ৰথম ৰাউণ্ডৰ এখন খেলত পেৰুৰ ইনেছ কেষ্টিলোক ২১-১৩, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত সিন্ধু ভাৰতৰ আন এগৰাকী খেলুৱৈ ঈশাৰাণী বৰুৱাৰ বিৰুদ্ধে বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ঈশাৰাণীয়ে আজি প্ৰথম ৰাউণ্ডৰ আন এখন খেলত চীনৰ হান কোৱাঞ্চিক ২১-২০, ১০-২১, ২১-১৪ গেমত পৰাস্ত কৰে। একেদৰে বিশ্ব জুনিয়ৰ চেম্পিয়নশ্বিপত যোৱা বছৰ ৰূপৰ পদক বিজেতা তনভী শৰ্মাই প্ৰথম ৰাউণ্ডৰ এখন খেলত চীনা টাইপেইৰ চিউ পিন-চিয়ানক ২১-১২, ২২-২০ গেমত পৰাভূত কৰে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তনভী কাইলৈ ভাৰতৰ আন এগৰাকী খেলুৱৈ মালবিকা বন্‌ছোড়ৰ সন্মুখীন হ'ব। বন্‌ছোড়ে আজি প্ৰথম ৰাউণ্ডত থাইলেণ্ডৰ টনৰুক চায়েহেঙক ১৫-২১, ২১-৭, ২১-১৩ গেমত পৰাভূত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ শাখাত আজি কিৰণ জৰ্জ, ছনিট দয়ানন্দ আৰু তৰুণ মান্নেপল্লিৰ পৰাজয়ৰ লগে লগে ভাৰতৰ অভিযানৰ সামৰণি পৰে।

০০০০০০০

সমাপ্ত